অহা ২৪ ফেব্ৰুৱাৰী সোমবাৰে যোৰহাট চিনামৰাস্থিত প্ৰেৰণা প্ৰতিবন্ধী শিশু বিকাশ কেন্দ্ৰত বিশেষভাৱে সক্ষম ব্যক্তি আৰু শিশু সকলৰ বাবে ভাৰত চৰকাৰৰ অধীনত 'এলিমক'ৰ দ্বাৰা এটি শিবিৰ আযেজন কৰা হৈছে ।

ALIMCO ই ৰূপায়ণ কৰা ADIP আচনিৰ মূল উদেশ্য হৈছে- দৰিদ্ৰ আৰু প্ৰয়োজনীয় সহায়ৰ অভাৱত থকা বিশেষভাৱে সক্ষম ব্যক্তি সকলক উচ্চ প্ৰযুক্তিৰে নিৰ্মিত , আধুনিক আৰু মানদন্ডযুক্ত সহায় সামগ্ৰী যোগান ধৰাৰ জৰিয়তে শাৰীৰিক, সামাজিক আৰু মানসিক পূৰ্ণবাসনত সহায় কৰা।

ইয়াৰ অন্তৰ্গত বিশেষভাৱে সক্ষম ব্যক্তি সকলক সহায় সামগ্ৰী প্ৰদান কৰা হয় যাতে তেওঁলোকৰ স্বাৱলম্বিতা বাঢ়ে. ADIP আচনিয়ে সকলো বিশেষভাৱে সক্ষম ভাৰতীয় নাগৰিকক সামৰি লয়,এনেলোকৰ প্ৰতিবন্ধকতা ৪০% বা তাতোধিক হোৱা বাঞ্চনীয় আৰু মাহিলী আয়২২৫০০ টকাৰ ভিতৰত হব লাগিব চলাফুৰাৰ সমস্যাথকা , দৃষ্টিশক্তিহীন , শ্ৰৱণ শক্তিহীন ,মানসিক বাধাগ্ৰস্ত থকা সকলৰ বাবে এই শিবিৰ অনুষ্ঠিত কৰা হৈছে। তাৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ হৈছে ফটো, আয় প্ৰমাণপত্ৰ বা ৰেচন কাৰ্ড , আধাৰ কাৰ্ড, অক্ষমতা প্ৰমাণ পত্ৰ বা UDID কাৰ্ড ,ৰেচন কাৰ্ড নাথাকিলে আয়ৰ প্ৰমানপত্ৰ থাকিব লাগিব।

ৰাষ্ট্ৰীয় বয়োশ্ৰী যোজনা , (RVYJ) আধাৰত ৬০ বছৰৰ বা তাৰ ওপৰৰ জেষ্ঠ নাগৰিক সকলক বিশেষকৈ যিসকলক চলা-ফুৰা কৰাৰ সমস্যা , দৃষ্টি - শ্ৰৱণ সমস্যাৰ লগতে দাতৰ ক্ষতি হোৱা সকলক এই আচনিৰ অধীনত পৰিব । বয়োশ্ৰী যোজনাৰ বাবে ফটো , আধাৰ কাৰ্ড ভোটাৰ কাৰ্ড , আয়ৰ প্ৰমাঁণ পত্ৰ (মাহে ১৫০০০ টকাৰ ভিতৰত ) বা ৰেচন কাৰ্ডৰ ফটোকপি লগত লৈ আনিব লাগিব । গতিকে অহা ২৪ ফেব্ৰুৱাৰীত প্ৰেৰণা চিনামৰা, যোৰহাটত উক্ত শিবিৰত উপস্থিত থাকিবলৈ জনোৱা হল, সবিশেষ জানিবৰ বাবে 7002717272, 9678545426,7896300728 নম্বৰত যোগাযোগ কৰিব।